**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-04-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

---------------------------

***<u>Headlines</u>***

১। অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন।

২। ৰাজ্যৰ ঠায়ে ঠায়ে মুকলি বিহুৰ কাৰ্যসূচী। মঞ্চবিহু উদযাপনৰ শুভাৰম্ভ।

৩। নুমলিগড় শোধনাগাৰৰ সম্প্ৰসাৰণৰ কাম ৮২ শতাংশ সম্পূৰ্ণ।

আৰু

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

০০০০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত গঞা ৰাইজে গোহালিৰ গৰুসমূহ নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰঙালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক বিহুৰ শুভেচ্ছা জনাইছে।

কাইলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱান আগবঢ়াই প্ৰিয়জন তথা আত্মীয়স্বজনক বিহুৰ ওলগ জনোৱা হ'ব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো বিহু হুঁচৰিৰ আখৰা সম্পূৰ্ণ হৈছে। ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ অৰ্থে ৰাজ্যৰ ঠায়ে ঠায়ে অনুষ্ঠিত বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ সমাপ্ত হৈছে। বিভিন্ন বিহু কমিটীয়ে বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটা দিন সুধাকণ্ঠৰ নামত উৎসৰ্গা কৰাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈও শ্ৰদ্ধা নিবেদিব। ১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবেলি মহাৰজত জয়ন্তী পালন কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এইবাৰ এটা দিন জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব বুলি বিহু সন্মিলনীৰ উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

গৰুবিহু উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তত পৰম্পৰাগতভাৱে মাহ, হালধী আৰু বেঙেনা খুৱাই গৰুক গা ধুৱাইছে। শ্ৰীভূমি জিলাৰ বৰগুল গাঁৱত পুৱাই পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে। বৰপেটা জিলাৰ ভিন্ন প্ৰান্তত গৰুবিহু উদযাপন কৰা হৈছে। যোৰহাট, মাজুলী, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, নলবাৰী, বৰপেটা, বাক্সা আদি জিলাতো পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে। চৰাইদেউ জিলাত আজি উলহ-

মালহেৰে গৰু বিহু পালন কৰা হৈছে। জিলাখনৰ চাবিমুঠিয়া গৰিয়া পথাৰ গাঁৱত গাঁওবাসীয়ে পুৱাতে গৰু গাধুৱাই পৰম্পৰা পালন কৰে। এই সন্দৰ্ভত আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰে এইদৰে কয়-

*(বাইট ঃ কোঁৱৰ)*

ডিব্রুগড় জিলাতো গৰু বিহুৰ পৰম্পৰা পালন কৰা হৈছে। বিহু উপলক্ষে ৰাইজে এশ এবিধ শাক খোৱাৰ বাবে সাজু কৰিছে। শিৱসাগৰ জিলাতো প্ৰতিখন গাঁৱতে কৃষিজীৱী ৰাইজে পৰম্পৰাগত ৰীতি-নীতিৰে গৰু বিহু পালন কৰিছে। এই সন্দৰ্ভত এগৰাকী স্থানীয় ব্যক্তিয়ে এইদৰে কয়-

(বাইট)

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহু অনুষ্ঠিত হৈছে।   পুৱা বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞাই বিহুৰ পতাকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে। সাধাৰণ সম্পাদক সমীৰণ ফুকনে মুকলি বিহুত ছহীদ তৰ্পণ কাৰ্যসূচীত ছহীদলৈ শ্ৰদ্ধাঞ্জলি জনায়। এই অনুষ্ঠানত ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনাবলৈ লোৱা হৈছে। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলৰ লগতে জনগোষ্ঠীয় সাংস্কৃতিক দলে অনুষ্ঠান পৰিৱেশন কৰিছে।

নুনমাটি বিহু সন্মিলনীয়ে তিনি দিনীয়া কাৰ্যসূচীৰে আজিৰ পৰা ৰঙালী বিহু উদযাপন কৰিছে। এই উপলক্ষে পুৱা নুনমাটি কীৰ্তন ঘৰৰ পৰা বিহুতলিলৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হৈছে।

পূব গুৱাহাটী বিহু সন্মিলনীয়েও বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে ৰঙালী বিহু উদযাপন কৰিব। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বাবে বেলতলা ব'হাগী উৎসৱ উদযাপন সমিতিয়ে এইবাৰ বিহুৰ অনুষ্ঠান বাতিল কৰিছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদতো আজি উলহ-মালহেৰে ৰঙালী বিহু উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰাই বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুৱাই বিহুৰ পতাকা উত্তোলন কৰাৰ লগতে মুকলি বিহু আৰু পিঠা-পনা, জলপান আদিৰো ব্যৱস্থা কৰা হৈছে।

0000000

অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠা হোৱা নুমলিগড় শোধনাগাৰৰ সম্প্ৰসাৰণ কাৰ্যৰ প্ৰায় ৮২ শতাংশ কাম সম্পূৰ্ণ হৈছে। শোধনাগাৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি চলিত বছৰৰ ভিতৰতে এই কাম সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ জাৰি কৰিছে। পূৰ্বৰ ২২ হাজাৰ ৫১৪ কোটি টকাৰ পৰা শোধনাগাৰটোত ব্যয়ৰ পৰিমাণ ২৮ হাজাৰ ২৬ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ ফলত শোধনাগাৰটোৰ বাৰ্ষিক উৎপাদনৰ ক্ষমতা বৃদ্ধি পাব বুলি কৰ্তৃপক্ষই  প্ৰকাশ কৰিছে।

0000000

যোৰহাট জিলাত সম্ভাব্য বান প্ৰতিৰোধৰ বাবে আজি এখন সভা অনুষ্ঠিত হৈছে। এই সভাত জিলাখনৰ আটাইকেইটা ৰাজহচক্ৰৰ চক্ৰ বিষয়া, জিলা দুৰ্যোগ ব্যৱস্থা প্ৰাধীকৰণৰ প্ৰকল্প বিষয়া আৰু ক্ষেত্ৰ বিষয়াসকল উপস্থিত থাকে। বৈঠকত বানৰ সময়ত সম্ভাব্য ক্ষয়ক্ষতি ৰোধ কৰাৰ বাবে আগতীয়াকৈ গ্ৰহণ কৰিবলগীয়া

সাৱধানতা, আশ্ৰয় শিবিৰৰ প্ৰস্তুতি আৰু জৰুৰীকালীন সাহায্য বিতৰণ সন্দৰ্ভত আলোচনা কৰা হয়। এই সভাত জিলা আয়ুক্তই সকলো বিষয়াকে সজাগ হৈ কাম কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে কালি যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বহুমুখী বালক বিদ্যালয় পৰিদৰ্শন কৰে। যোৰহাট, মৰিয়নি আৰু তিতাবৰ সমষ্টিৰ নিৰ্বাচনৰ ষ্ট্ৰংৰুম এই দুখন বিদ্যালয়ত স্থাপন কৰা হৈছে। জিলা আয়ুক্তগৰাকীয়ে এই পৰিদৰ্শন সময়ছোৱাত বিদ্যালয় দুখনৰ নিৰাপত্তাৰ লগতে সকলো কাৰিকৰী ব্যৱস্থাৰ বুজ লয়। নিৰ্বাচনৰ পৰৱৰ্তী প্ৰক্ৰিয়াসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ জিলা প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

কংগ্ৰেছ নেতা তথা দলটোৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ অধ্যক্ষ পৱন খেৰাৰ আগতীয়া জামিন মঞ্জুৰ কৰি তেলেংগানা উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ প্ৰত্যাহ্বান জনাই অসম আৰক্ষী তথা ৰাজ্য  চৰকাৰ উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছে। ৰাজ্য চৰকাৰে দাখিল কৰা আবেদনখন কাইলৈ তালিকাভুক্ত হোৱাৰ সম্ভাৱনা আছে। আনহাতে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে পৱন খেৰাৰ সমৰ্থনত মাত মাতিছে আৰু কংগ্ৰেছ দল খেৰাৰ সৈতে আছে বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে তিনিখন দেশৰ পাৰপত্ৰ আৰু বিদেশত সম্পত্তি থকা বুলি যোৱা ৬ এপ্ৰিলত খেৰাই সংবাদমেলত অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পাছতে ৰিণিকি ভূঞা শৰ্মাই দাখিল কৰা এজাহাৰৰ ভিত্তিত অসম আৰক্ষীৰ অপৰাধ শাখাই খেৰাৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছিল।

০০০০০০০

অসম সন্মিলিত মহাসংঘৰ উদ্যোগত অহা ১৭ এপ্ৰিলত ৰাজ্যত এটা নতুন ৰাজনৈতিক দল গঠন কৰা হ'ব। এটা বিবৃতিৰ জৰিয়তে মহাসংঘই এই কথা সদৰি কৰিছে। উল্লেখযোগ্য যে খিলঞ্জীয়া কেইবাটাও সংগঠনৰ যৌথ মঞ্চ অসম সন্মিলিত মহাসংঘৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱসত শিৱসাগৰৰ তলাতল ঘৰ চৌহদত এই ৰাজনৈতিক দলটোৰ নাম ঘোষণা কৰিব বুলি সভাপতি আৰু সম্পাদকে জনাইছে।

০০০০০০০

অধ্যাপক ৰমেশ চন্দ্ৰ ভৰদ্বাজ আৰু প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীলৈ ২০২৬ বৰ্ষৰ অষ্টম গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটা আগবঢ়োৱা হৈছে। অহা ১৮ এপ্ৰিলত গুৰুদেৱ কালিচৰণ ব্ৰহ্ম জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। শিক্ষা, সমাজসেৱাকে ধৰি কেইবাটাও বিষয়ত আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে কালিচৰণ ব্ৰহ্ম ন্যাসে এই বঁটা প্ৰদান কৰি আহিছে। বঁটাপ্ৰাপক অধ্যাপক ভৰদ্বাজ ভাৰতীয় দৰ্শনৰ পণ্ডিত আৰু তিনি দশকৰো অধিক কাল দিল্লী বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক অভিজ্ঞতাৰে পৰিপুষ্ট। তেওঁ মহৰ্ষি বাল্মিকী সংস্কৃত বিশ্ববিদ্যালয়ত প্ৰথমে সংস্কৃত বিষয়ৰ মুৰব্বী আৰু পাছলৈ উপাচাৰ্য হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। বৈদিক অধ্যয়ন, মীমাংসা দৰ্শন আৰু ইণ্ডো-ইউৰোপীয় গৱেষণাৰ ক্ষেত্ৰত তেওঁ  বিশেষ বৰঙণি আগবঢ়াইছে। ইপিনে, প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীক সামাজিক, ৰাজনৈতিক ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। ১৯৮৩ চনৰ পৰা ১৯৮৬ চনলৈ তেওঁ সদৌ বড়ো ছাত্ৰ সন্থাৰ সভাপতি  হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল।

১৯৯১ চনৰ পৰা ১৯৯৬ আৰু ২০০১ চনৰ পৰা ২০১১ চনলৈ তেওঁ অসম বিধানসভাৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই এম এ চিদাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে যোৱা নিশা ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰাজস্থান ৰয়েলছক ৫৭ ৰানত পৰাস্ত কৰে। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৬ ৰান কৰে। অধিনায়ক ঈষাণ কিষাণে ৯১ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ ৪টা উইকেট দখল কৰা প্ৰফুল্ল হিংগেক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০০০

**সমাপ্ত**